Total No. of Printed Pages—3

## 4 SEM TDC ASMH (CBCS) C 8

**2024**

( May/June )

# ASSAMESE

( Core )

Paper : C–8

( তুলনামূলক সাহিত্যৰ পদ্ধতি আৰু প্ৰয়োগ )

*Full Marks* : 80
*Pass Marks* : 32

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। চমু উত্তৰ দিয়াঁ : ১×৮=৮

(ক) কোনে কালিদাসক ভাৰতৰ শ্যেক্সপীয়েৰ বুলি অভিহিত কৰিছিল ?

(খ) 'Indian Literature' পদটো কোনে প্ৰথমে প্ৰয়োগ কৰিছিল ?

(গ) ৰবীন্দ্ৰনাথ ঠাকুৰে তুলনামূলক সাহিত্যক পোনতে কি বুলি অভিহিত কৰিছিল ?

(ঘ) ‘Recreation’ শব্দৰ অসমীয়া পৰিভাষা কি?

(ঙ) ‘তুলনামূলক সাহিত্য : সিদ্ধান্ত আৰু প্ৰয়োগ’ গ্ৰন্থখনৰ লেখক কোন?

(চ) মেথিউ আৰ্নল্ডে Comparative Literature শব্দটো প্ৰথম কেতিয়া ব্যৱহাৰ কৰিছিল?

(ছ) ভবেন্দ্ৰনাথ শইকীয়াৰ দ্বাৰা পৰিচালিত প্ৰথম চলচ্চিত্ৰখনৰ নাম কি?

(জ) সাহিত্যৰ আধাৰত নিৰ্মাণ হোৱা প্ৰথম অসমীয়া চলচ্চিত্ৰখনৰ নাম কি?

২। (ক) বিভিন্ন আলোচকে আগবঢ়োৱা সংজ্ঞাৰ আধাৰত তুলনামূলক সাহিত্যৰ স্বৰূপ নিৰ্ণয় কৰাঁ। ১৪

*অথবা*

(খ) সাহিত্যৰ বিচাৰত তুলনামূলক সাহিত্যৰ প্ৰয়োজনীয়তা ব্যাখ্যা কৰি এটি আলোচনা আগবঢ়োৱাঁ।

৩। (ক) “তুলনামূলক সাহিত্য এনে এক শাখা যি একক ভাষাসমূহ তথা জাতীয় সাহিত্যসমূহৰ পৰিধি অতিক্ৰম কৰি গৈ থাকে।” কথাষাৰৰ আধাৰত তুলনামূলক সাহিত্যৰ ধাৰণা দিয়াঁ। ১৫

*অথবা*

(খ) সাহিত্যৰ লগত সমাজবিজ্ঞানৰ বিভিন্ন বিষয় কেনেদৰে জড়িত হ’ব পাৰে, ব্যাখ্যা কৰাঁ।





৪। (ক) ভাৰতৰ পটভূমিত তুলনামূলক সাহিত্যৰ প্ৰাসঙ্গিকতা ব্যাখ্যা কৰি এটি টোকা প্ৰস্তুত কৰাঁ। ১৪

*অথবা*

(খ) ভাৰতবৰ্ষত তুলনামূলক সাহিত্যৰ বিকাশ সম্পৰ্কে এটি আলোচনা আগবঢ়োৱাঁ।

৫। চমু টোকা লিখাঁ (যি কোনো দুটাৰ) : ৭×২=১৪

(ক) অসমত তুলনামূলক সাহিত্যৰ চৰ্চা

(খ) তুলনামূলক সাহিত্য আৰু তুলনামূলক অধ্যয়ন

(গ) ‘বানপ্ৰস্থ’ গল্পৰ কেন্দ্ৰীয় নাৰী চৰিত্ৰ

(ঘ) সাহিত্য আৰু সংগীতৰ সম্পৰ্ক

৬। (ক) ‘সন্ধ্যাৰাগ’ চলচ্চিত্ৰ আৰু ‘বানপ্ৰস্থ’ গল্পৰ এটি তুলনামূলক আলোচনা আগবঢ়োৱাঁ। ১৫

*অথবা*

(খ) সুকীয়া মাধ্যমৰূপে সাহিত্য আৰু চলচ্চিত্ৰৰ উপস্থাপন-কৌশলত কেনেধৰণৰ পাৰ্থক্য দেখা যায়, ‘সন্ধ্যাৰাগ’ আৰু ‘বানপ্ৰস্থ’ গল্পৰ আধাৰত ফঁহিয়াই দেখুওৱাঁ।

★★★

Total No. of Printed Pages—3

## 4 SEM TDC ASMH (CBCS) C 9

**2024**

( May/June )

ASSAMESE

( Core )

Paper : C–9

**( ভাৰতীয় আৰ্যভাষা আৰু অসমীয়া ভাষা )**

*Full Marks* : 80

*Pass Marks* : 32

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অসমীয়ালৈ অনুবাদ কৰাঁ (যি কোনো চাৰিটা অংশ) : ৩×৪=১২

(ক) অজ্ঞঃ সুখমাৰাধ্যঃ সুখতৰমাৰাধ্যতে ৰিশেষজ্ঞঃ
জ্ঞানলৱদুৰ্বিদগ্ধং ব্ৰহ্মাপি নৰং ন ৰঞ্জয়তি ।।

(খ) বহুকং হি দোসং সমাজম্‌হি পসতি দেৱানাং প্ৰিয়ো প্ৰিয়দসি ৰাজা ।

(গ) এতং ৰিসেসতো ঞত্ত্বা অপ্‌পমাদহি পণ্ডিতা ।
অপ্‌পমাদে পমোদন্তি অৰিয়ানং গোচৰে ৰতা ।।

(ঘ) অসমত্তমণ্ডণা ৱিঅ বচ্ছ ঘৰং সে সকোউহল্লস্স।
বোলাৰিঅ হলহলঅস্স পুত্তি চিত্তে ণ লগ্গিহস্সি।।

(ঙ) দিঅৰস্স অসুদ্ধমণস্স কুলবহু ণিঅঅকুড্ডলিহিআইং
দিঅহং কহেই ৰামাণুলগ্গ-সোমিত্তি চৰিআইং।

(চ) বয়ণায়ৰ গিৰিতৰু বৰাই গয়ণং গণংমি ৰিক্খাই।
জেণহজ্জ সয়ল সিৰিয়ং সো বুহয়ণ সিৱং দেউ।।

২। ১নং প্ৰশ্নৰ তলৰ আঁচটনা শব্দবোৰৰ মাজৰ পৰা যি কোনো তিনিটা শব্দৰ সংস্কৃত ৰূপটো লিখাঁ। ১×৩=৩

৩। (ক) ভাৰতীয় আৰ্যভাষা বুলিলে কি বুজাঁ? ভাৰতীয় আৰ্যভাষাৰ দ্বিতীয় স্তৰত বিকাশ লাভ কৰা যি কোনো এটা ভাষাৰ ভাষাতাত্ত্বিক বিশেষত্বসমূহৰ বিষয়ে লিখাঁ। ৩+১২=১৫

বা

(খ) পালি শব্দৰ তাৎপৰ্য ব্যাখ্যা কৰি পালি ভাষাৰ বিকাশ সম্পৰ্কে এটি টোকা প্ৰস্তুত কৰাঁ। ৩+১২=১৫

৪। (ক) পালি আৰু প্ৰাকৃত ভাষাৰ ব্যঞ্জনবৰ্ণবোৰৰ তালিকা প্ৰস্তুত কৰাঁ। দুয়োটা ভাষাৰ ব্যঞ্জনৰ মাজৰ মিল-অমিলসমূহ উল্লেখ কৰাঁ। ৭+৮=১৫

বা

(খ) সংস্কৃত আৰু পালি-প্ৰাকৃতৰ শব্দৰূপৰ এটি তুলনামূলক আলোচনা দাঙি ধৰাঁ। ১৫





৫। (ক) অসমীয়া ভাষাৰ উদ্ভৱ সম্পৰ্কে ভাষাবিদসকলে আগবঢ়োৱা মতসমূহ উল্লেখ কৰি ভাষাটোৰ উৎপত্তি সম্পৰ্কে এটি গ্ৰহণযোগ্য মতামত দাঙি ধৰাঁ। ৭+৮=১৫

বা

(খ) মধ্য অসমীয়া স্তৰৰ ভাষাৰ বিষয়ে এটি আলোচনা যুগুত কৰাঁ। ১৫

৬। চমু টোকা লিখাঁ (যি কোনো **তিনিটা**) : ৫×৩=১৫

(ক) শ্ৰীকৃষ্ণ কীৰ্তনৰ ভাষা

(খ) প্ৰাক্-শংকৰী যুগৰ ভাষাৰ বৈশিষ্ট্য

(গ) অৰুণোদই যুগৰ ভাষা

(ঘ) যুদ্ধোত্তৰ যুগৰ অসমীয়া ভাষা

৭। চমু উত্তৰ দিয়াঁ (যি কোনো **পাঁচটা**) : ১×৫=৫

(ক) গিৰ্ণাৰ ১নং অনুশাসনৰ ভাষাটো কি?

(খ) 'প্ৰাকৃত প্ৰকাশ' গ্ৰন্থখনৰ ৰচক কোন?

(গ) "সংস্কৃতেই প্ৰকৃতি, তাৰ পৰা যি উদ্ভৱ হৈছে বা আহিছে, সেয়ে প্ৰাকৃত।" কথাষাৰ কোনে কৈছিল?

(ঘ) 'ধম্মপদ' কোনখন পিটকৰ অন্তৰ্গত?

(ঙ) 'গাহাসত্তসঈ'ৰ সংস্কৃত ৰূপটো কি?

(চ) 'প্ৰাকৃত পাঠ' গ্ৰন্থখনৰ ৰচক কোন?

★★★

Total No. of Printed Pages—3

## 4 SEM TDC ASMH (CBCS) C 10

**2024**

( May/June )

ASSAMESE

( Core )

Paper : C–10

( অসমীয়া গদ্যৰ চানেকি )

*Full Marks* : 80

*Pass Marks* : 32

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। চমু উত্তৰ লিখাঁ : ১×৮=৮

(ক) ভট্টদেৱৰ পূৰ্বে কাৰ ৰচনাত অসমীয়া গদ্যৰ চানেকি পোৱা যায়?

(খ) তোমাৰ পাঠ্য 'কৰ্মযোগ' পাঠটি কোনখন গ্ৰন্থৰ পৰা লোৱা হৈছে?

(গ) 'জাত্ৰিকৰ জাত্ৰা'ৰ মূল ইংৰাজী গ্ৰন্থখনৰ নাম লিখাঁ।

(ঘ) 'বাহিৰে ৰং চং ভিতৰে কোৰাভাতুৰী' গ্ৰন্থৰ লেখক কোন ?

(ঙ) "আয় অনুসৰি খৰচ কৰাই অৰ্থ ব্যৱহাৰৰ মূল মন্ত্ৰ।" এই মন্তব্য কোনটো পাঠৰ অন্তৰ্গত ?

(চ) 'ঈশ্বৰৰ বাছনিত উঠা শ্ৰেষ্ঠ জাতি' (Chosen People of God) বুলি কোনটো জাতিয়ে নিজকে পৰিচয় দিছিল ?

(ছ) হীৰেন গোহাঁই ৰচিত এখন সমালোচনা গ্ৰন্থৰ নাম লিখাঁ।

(জ) 'অসমীয়া মানুহৰ ইতিহাস' গ্ৰন্থৰ লেখক কোন ?

২। (ক) অসমীয়া গদ্যসাহিত্যৰ উদ্ভৱ আৰু বিকাশ সম্পৰ্কে এটি আলোচনা আগবঢ়োৱাঁ। ১৫

অথবা

(খ) অসমীয়া গদ্যসাহিত্যৰ ইতিহাসৰ প্ৰাচীন স্তৰৰ গদ্য সম্পৰ্কে এটি পৰিচয়মূলক টোকা লিখাঁ।

৩। (ক) 'তুংখুঙীয়া বুৰঞ্জী'ৰ তোমাৰ পাঠ্য অংশৰ আধাৰত বুৰঞ্জীৰ গদ্যৰ বিষয়ে এটি আলোচনা যুগুত কৰাঁ। ১৪

অথবা

(খ) 'গুৰুচৰিত কথা'ত উল্লেখ থকা শংকৰদেৱ আৰু মাধৱদেৱৰ মিলন সম্পৰ্কীয় কথাখিনি তোমাৰ নিজৰ ভাষাৰে লিখাঁ।





৪। (ক) 'জাত্ৰিকৰ জাত্ৰা' শীৰ্ষক পাঠটিত অৰুণোদই যুগৰ গদ্যৰ বিশেষত্ব কিদৰে প্ৰকাশ পাইছে, আলোচনা কৰাঁ। ১৪

অথবা

(খ) 'অসমীয়া ল'ৰাৰ মিত্ৰ' শীৰ্ষক পাঠটিৰ যোগেদি আনন্দৰাম ঢেকিয়াল ফুকনৰ ৰচনাৰ বিশেষত্ব আলোচনা কৰাঁ।

৫। (ক) সত্যনাথ বৰাই ধনৰ ব্যৱহাৰ সম্পৰ্কে আগবঢ়োৱা সঠিক দিশসমূহ আলোচনা কৰাঁ। ১৪

অথবা

(খ) বেণুধৰ শৰ্মাৰ গদ্যশৈলী সম্পৰ্কে এটি টোকা লিখাঁ।

৬। (ক) 'বুৰঞ্জী বিচাৰি' পাঠটিত প্ৰকাশ পোৱা লেখকৰ অভিজ্ঞতাৰ এটি আভাস দিয়াঁ। ১৫

অথবা

(খ) পাঠ্যক্ৰমত অন্তৰ্ভুক্ত পাঠৰ আধাৰত অসমৰ ভাষা-গোষ্ঠীসমূহৰ এটি পৰিচয়মূলক টোকা লিখাঁ।

★★★